**5 SEM TDC ASM M 2**

**2 0 1 7**

( November )

ASSAMESE

( Major )

Course : 502

( অসমীয়া নাটক )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) কোন শ্ৰেণী নাটকৰ যোগেদি অসমীয়া নাট্যসাহিত্যৰ লিখিত ইতিহাস আৰম্ভ হোৱা বুলি ধৰা হয়?

(খ) কেৱল অভিনীত ৰূপৰ প্ৰথম অসমীয়া নাটখনৰ নাম কি?

(গ) অসমৰ প্ৰথমজন নাট্যকাৰ, অভিনেতা, নাট পৰিচালক, সংগীত-নৃত্য পৰিচালক, ৰূপসজ্জা নিৰ্দেশক কোন?

(ঘ) ৰংদৈ কোনখন নাটকৰ নাৰী চৰিত্ৰ?

(ঙ) “...পাওঁ, গছত যিমান ফুল আছে, ডালত যিমান পাত আছে , নৈত যিমান পানী আছে, শূইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে—তিমান।” সংলাপটো কাৰ?

(চ) মণিমুগ্ধৰ সেনাপতিজনৰ নাম কি ?

(ছ) ‘ৰামবিজয়’ নাটকত উল্লিখিত বিশ্বামিত্ৰ ঋষিৰ শিষ্যজনৰ নাম কি ?

(জ) ‘এটা চোলাৰ কাহিনী’ নাটকখন পূৰ্ণাংগ নাটক নে একাংকিকা নাটক ?

২। (ক) ‘অসমীয়া সামাজিক নাটকৰ বিকাশ’ শীৰ্ষক এটি টোকা যুগুত কৰাঁ। ১

অথবা

(খ) অসমীয়া আধুনিক নাটকত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) ‘ৰামবিজয়’ নাটৰ কাহিনীটো ক’ৰ পৰা গ্ৰহণ কৰিছে? নাটখনত শংকৰদেৱৰ মৌলিকতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ২+১২=১

অথবা

(খ) “ ‘ৰামবিজয়’ নাটৰ ওপৰত নাট্যকাৰৰ পূৰ্বৱৰ্তী নাট ‘ৰুক্মিণী হৰণ’ৰ প্ৰভাৱ পৰা বুলি কোৱা হয়।” কথাষাৰৰ সত্যাসত্য বিচাৰ কৰাঁ। ১





৪। (ক) “ ‘গাঁওবুঢ়া’ নাটকত সমকালীন সমাজখনৰ এটি বাস্তৱ ছবি দাঙি ধৰা হৈছে।” কথাষাৰৰ আঁত ধৰি এটি আলোচনা আগবঢ়োৱাঁ। ১৪

অথবা

(খ) ‘গাঁওবুঢ়া’ নাটকৰ কাহিনীবস্তুৰ এটি আভাস দাঙি ধৰাঁ।

৫। (ক) “ইয়াত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।” নাট্যকাৰৰ এই বক্তব্যৰ আধাৰত ইতিভেন আৰু ৰূপালীম চৰিত্ৰ দুটিৰ বিশ্লেষণ আগবঢ়োৱাঁ। ১৪

অথবা

(খ) ‘ৰূপালীম’ নাটকৰ কাহিনী নিৰ্মাণত নাট্যকাৰৰ শিল্প-কৌশল সম্পৰ্কে আলোচনা কৰাঁ।

৬। (ক) ‘এটা চোলাৰ কাহিনী’ নাটকত সমাজৰ দৰিদ্ৰ, নিপীড়িত, শোষিত শ্ৰেণীৰ হৃদয় যন্ত্ৰণাৰ কেনেদৰে প্ৰতিফলন ঘটিছে, আলোচনা কৰাঁ। ১২

অথবা

(খ) ‘এটা চোলাৰ কাহিনী’ নাটকৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা লিখাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো এটাৰ) : ৬

(ক) ঝুমুৰা

(খ) একাংকিকা নাটক

(গ) প্ৰহসন

★★★